# গুৱাহাটী বিশ্ববিদ্যালয় স্নাতক মহলাৰ ষষ্ঠ যান্মাসিকৰ অসমীয়া ৬.৫৬ নং প্ৰশ্নকাকতৰ বাধ্যতামূলক গৱেষণা পত্ৰ

## বিষয় ঃ নলবাৰী জিলাৰ ৰাজাখাট বানেকুছি গাঁৱৰ লোকসাহিত্যৰ পৰিচয়

Presented 04/06/2024

নীহাৰিকা মৰাণ

তত্ত্বাৱধায়িকা
**ড° নীহাৰিকা মৰাণ**
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ
মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়

গৱেষিকা ছাত্ৰী
নাম ঃ মধুস্মিতা বড়ো
শ্ৰেণী ঃ ষষ্ঠ যান্মাসিক
শ্ৰেণী ৰোল নং- B.A-২১০০৪৯
ৰোল নং- UA-২১১-১৯৩-০১৬৯
পঞ্জীয়ন নং- ২১০৮৬৪৮৭

মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়, নলবাৰী

# কৃতজ্ঞতা জ্ঞাপন

মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ৰ মই এগৰাকী স্নাতক ষান্মাসিকৰ অসমীয়া বিভাগৰ ছাত্ৰী । অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ পৰিসৰৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী বিশ্ববিদ্যালয়ে স্নাতক ষষ্ঠ ষান্মাসিকৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা ক্ষুদ্ৰ গৱেষণাৰ আলমত মই এই ষান্মাসিকৰ ছাত্ৰী হিচাপে আমাৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° নীহাৰিকা বৰাল বাইদেউৰ তত্ত্বাৱধানত " নলবাৰী জিলাৰ বাজাসাট বাণেকুচি গাঁৱৰ লোক সাহিত্যৰ পৰিচয় "

এই বিষয়টি লৈ তাৰ ওপৰত গৱেষণা কৰিবলৈ প্ৰচেষ্টা হাতত লগো ।

" গৱেষণা পত্ৰ প্ৰস্তুত কৰণত " উচ্চ শিক্ষাৰ ক্ষেত্ৰত অন্তৰ্ভুক্ত কৰা শিক্ষানীতি সমূহৰ ভিতৰত এক অন্যতম প্ৰধান হিচাপে

পৰিণত হৈছে। স্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে গৱেষণা প্ৰস্তুত কৰণ এক জটিল বিষয়। কিন্তু, এই জটিলতাক নেওচি গৱেষণা পত্ৰ প্ৰস্তুত কৰি উলিওৱাটো ছাত্ৰ-ছাত্ৰীৰ বাবে সম্ভৱ হৈ পাৰিছে মাত্ৰ বিভাগীয় শিক্ষাগুৰু সকলৰ সুদিহা পৰামৰ্শ, বিভিন্ন অভিজ্ঞ ব্যক্তিৰ সহায় আৰু ছাত্ৰ-ছাত্ৰীৰ আপ্ৰাণশুধীয়া প্ৰচেষ্টা আৰু গভীৰ আত্ম-বিশ্বাসৰ কাৰণে।

গৱেষণা পত্ৰ প্ৰস্তুত কৰণ এই জটিল কাৰ্যটো কেনেকৈ সম্পাদন কৰিব পাৰি তাৰ অভিজ্ঞতা লাভ কৰাটো ছাত্ৰ-ছাত্ৰীৰ কাৰণে সম্ভৱ কৰি তুলিছে একমাত্ৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিজ্ঞানসন্মত শিক্ষা নীতিয়ে। গৱেষণাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী সকলক দিয়া ব্যৱহাৰিক জ্ঞানৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয় ধন্যবাদৰ পাত্ৰ।

গৱেষণা বিষয়টো হ'ল এক জটিল বিষয়। সেইক্ষেত্ৰত মোৰ এই প্ৰয়াসৰ দিশনাত সহায় সহযোগিতা তথা অনুপ্ৰেৰণা যোগোৱা আমাৰ বিভাগৰ সহকাৰী অধ্যাপিকা ড° মিত্ৰাষীকা অশাৰ বাইদেউ লগতে বিভাগীয় ছাৰ-বাইদেউ সকলোৰে ওচৰত মই চিৰ কৃতজ্ঞ। ইয়াৰ উপৰিও আমাৰ মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীলৈ আন্তৰিক কৃতজ্ঞতা যাচিলো। লগতে এই প্ৰয়াসৰ দিশনাত সহায় কৰা মোৰ দেউতা আৰু পৰিয়ালৰ সমূহ সদস্য আৰু মোৰ সমূহ বন্ধু-বান্ধৱীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

শেষত, মোৰ গৱেষিত বিষয়টি বৰ্তমান আৰু ভৱিষ্যতৰ পাঠক পাঠিকা, ছাত্ৰ-ছাত্ৰী, গৱেষক গৱেষিকা আৰু চিন্তাশীল ব্যক্তিৰ পথ প্ৰদৰ্শন হব বুলি আশা কৰিলো। লগতে গৱেষণা কাৰ্যই মোৰ এটা নিৰ্দিষ্ট দিশত জ্ঞানৰ ভাণ্ডাৰ বহুল কৰাত মোক সহায় কৰিছে।

মধুস্মিতা বড়ো
০৬/০৫/২০২৪

সূচীপত্ৰ


| | পৃষ্ঠা |
|---|---|
| কৃতজ্ঞতা জ্ঞাপন | |
| ০.০০ অৱতৰণিকা | ০১–০১১ |
| ১.১ অধ্যয়নৰ বিষয়বস্তু | ০৪ |
| ১.২ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য | ০৭ |
| ১.৩ অধ্যয়নৰ প্ৰয়োজনীয়তা | ০৯ |
| ১.৪ গৱেষণাৰ পদ্ধতি | ০১১ |
| ১.০০ প্ৰথম অধ্যায় : | ১–৮ |
| ৰাজাআলি বানেশ্বৰী গাঁৱৰ পৰিচয় | ১ |
| ৰাজাআলি বানেশ্বৰী গাঁৱৰ ভৌগলিক পৰিচয় | ৩ |
| ৰাজাআলি বানেশ্বৰী গাঁৱৰ মাটিকালি | ৩ |
| ৰাজাআলি বানেশ্বৰী গাঁৱৰ ভাৰিসীমা | ৪ |
| ৰাজাআলি বানেশ্বৰী গাঁৱৰ কৰ্ম আৰু জীৱিকা | ৪ |

২.০০ দ্বিতীয় অধ্যায় ঃ ৮-২৬

বাৰাসাট বানেকুছি গাঁৱৰ লোক সাহিত্যৰ পৰিচয় ৮

২.০১ লোক সাহিত্যৰ সংজ্ঞা আৰু শ্ৰেণীবিভাগ ৮

২.০২ লোক সাহিত্যৰ বৈশিষ্ট্য ২৪

২.০৩ অসমৰ লোক সাহিত্য সমূহ ২৬

৩.০০ তৃতীয় অধ্যায় ঃ ৩৩-৪৭

বাৰাসাট বানেকুছি গাঁৱৰ বিয়ানাম ৩৩

৩.০১ জোৰণ দিওঁতে গোৱা বিয়ানাম ৩৭

৩.০২ পানী তুলিবলৈ যাওঁতে গোৱা বিয়ানাম ৪০

৩.০৩ কইনা নোৱাওতে গোৱা বিয়ানাম ৪৪

:

৪.০০ চতুৰ্থ অধ্যায় ঃ ৪৮-৫৬

বাজাসাট বানেকুড়ি গাঁৱৰ বিহুনাম ৪৮

৪.০১ হুঁচৰিৰ বিহুগীত ৫২

৪.০২ গৰখীয়াই গৰু চৰাওঁতে গোৱা বিহুগীত। ৫৪

৪.০৩ ডেকাই গাভৰুক উদ্দেশ্য কৰি গোৱা বিহুগীত ৫৬

৫.০০ পঞ্চম অধ্যায় ঃ ৫৭-৫৮

বাজাসাট বানেকুড়ি গাঁৱৰ নিচুকনি গীত ৫৭

৬.০০ ষষ্ঠ অধ্যায় ঃ ৫৯-৬০

বাজাসাট বানেকুড়ি গাঁৱৰ মহখেদা গীত ৫৯

৭.০০ অষ্টম অধ্যায় ঃ ৬১ – ৬৮

ঃ উপসংহাৰ ঃ ৬১

ঃ গ্ৰন্থপঞ্জী ঃ ৬৩

ঃ সংবাদদাতা ঃ ৬৪

ঃ পৰিশিষ্ট আলোকচিত্ৰ ৬৫

ঃ নলবাৰী জিলাৰ মানচিত্ৰ ৬৮

## ০.০০ অৱতাৰণিকা :

জনসাধাৰণৰ নিভাঁজ মনৰ ভাৱৰাজিৰ স্বকীয় প্ৰকাশেই লোক-সাহিত্য। তথাকথিত সভ্যতাৰ চকচকিত 'আহুৱান' আৰু বৈজ্ঞানিক যুগৰ মানুহ নগৰমুখী হয়। কিন্তু দৰাচলতে জনজীৱনৰ স্বৰূপ প্ৰকাশ পায় লোক-সাহিত্যতহে।

আধুনিক নগৰজীৱন সাহিত্যৰ লগত লোক-সাহিত্যৰ পাৰ্থক্য মূলতঃ এয়ে যে আধুনিক সাহিত্য ব্যক্তিমুখী, লোক-সাহিত্য সমষ্টিধৰ্মী। লোক-সাহিত্য সমাজৰ উমৈহতীয়া সৃষ্টি বুলি ধৰিলেও তাৰ ৰচনাৰ গুৰিত একোজন ব্যক্তি যে নাছিল, এনে নহয়। মানৱ সমাজৰ আঁতি-গুৰি আলোচিলে দেখা যায় যে সুখ-দুখ প্ৰকাশ কৰোঁতে বা কিবা কেমনো উৎসৱ আদি পালন কৰোঁতে সমাজত সমূহীয়া অনুষ্ঠানৰ যো-জা হয়।

তাতে কোনো এজনে একাধিক পদ-গীত জুৰি দিলে। তেনেকৈ সমাজ হৈ পৰিলত মানুহৰ মুখে বাগৰি লোক-সাহিত্যত পৰিণত হ'ল।

সাহিত্যৰ লগত প্ৰকৃতিৰ নিবিড় সম্বন্ধ আছে। লোক-সাহিত্যৰ বেলিকা এই সম্বন্ধ আৰু প্ৰকট। তিনি ঋতুকে লৈ জান-জুৰি, গিৰিৰ বিৰিজম, বাৰেবৰণীয়া চৰাই-চিৰিকটি, সেউজীয়া পথাৰ, সুনীয়া বাগিচা, বালিচৰ আদিৰে অসমৰ ৰূপত বহুল চৰাই দেখনো দুৰ্লভ কৰি ৰাখিছে। কিতাপ-কাগজ, টেলিফোন-ৰেডিঅ', চিনেমা-থিয়েটাৰে মনবোৰ সলনি কৰাই নিনিয়া দিনতে মানুহে গীত-পদৰ ওপৰেওপৰিত প্ৰকাশ পায়। অসমত তেনেকৈ লোক-সাহিত্যৰ বৈচিত্ৰ্য আৰু প্ৰাচুৰ্য কিমানতে অনুমান কৰিব পাৰি।

আমাৰ লোক-সাহিত্যৰ কেইবাদিশতে সাহিত্যিক সৌন্দৰ্যতাৰ উপৰি জনসাধাৰণৰ আতংক ধৰ্মবিশ্বাসৰ উম পোৱা যায়। অসম তন্ত্ৰ মন্ত্ৰৰ দেশ। বেজালি বিদ্যা চৰকাৰৰ ৰেজিষ্টাৰী বিদ্যা নহ'লেও আমাৰ সমাজৰ মন-অন্তৰত নিকপটীয়াকৈ স্বীকৃত হৈ আছে। লীলা গগৈয়ে মন্ত্ৰ-সাহিত্যৰ শ্ৰেষ্ঠ দিশটোৰ সম্যক আলোচনা এটি দাঙি ধৰিছে। আইনাম মালিতাতো একে ৰংমাই। বাৰমাহী গীতৰ বেলিকাও একে এটি জন-বিশ্বাস আছে যে হাতী-ডিকাৰত এইবোৰ গীত শুনিলে হেনো ঘনশীয়া হাতীও ভৰ লাগে।

লোক সাহিত্যৰ ব্যৱহাৰিক দিশটো অসমত যিমান প্ৰকট হৈ পৰিছে আন ঠাইত হয়তো তেনে নহয়। ওপৰা-উপাধিকৈ ডাকে এই 'অবৈজ্ঞানিক প্ৰকৃতি' আধুনিক যুগত উপলুভাৰত্বে বিষয়। কিন্তু ডাকৰ বচনসমূহ অসমীয়া জন-জীৱনত 'বেদৰ বাণী' হৈ থাকি আমাৰ সমাজমনক সহজ সৰল নিৰিবিলিকৈ বাটিছে।

## অধ্যয়নৰ বিষয়বস্তু ঃ

গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক ষষ্ঠ ষাণ্মাসিকৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা ক্ষুদ্ৰ গৱেষণা পত্ৰৰ বিষয় হিচাপে "নলবাৰী জিলাৰ বাজাসাঁটি বানেকুছি গাঁৱৰ লোক-সাহিত্যৰ পৰিচয়।" বিষয়টো বাছি লোৱা হ'ল।

সাহিত্য বুলিলে পোনতেই কবিতা, নাটক, গল্প, উপন্যাস আদি লিখিত গ্ৰন্থৰ বিষয়ে মনলৈ আহে যদিও এনে গ্ৰন্থ সৃষ্টি হোৱাৰ বহুকালৰ পূৰ্বে জনসাধাৰণৰ মাজত প্ৰচলিত এক প্ৰকাৰৰ সাহিত্য চলিছিল সেয়া হ'ল লোকক সাহিত্য। কেতিয়াৰ পৰা অসমত লোক সাহিত্যৰ প্ৰচলন আৰম্ভ হৈছিল কোনেও কব নোৱাৰে। কিন্তু লোক সাহিত্য আদিম যুগৰে পৰা নিৰক্ষৰ লোকসকলৰ দ্বাৰা মুখে মুখে প্ৰচলিত হৈ আহিছে।

লোক মূলতে সংস্কৃত শব্দ।

ইয়াৰ অন্যতম অৰ্থ জনসাধাৰণ। সেই কাৰণে সহজভাৱে বুজা যায় 'লোক সাহিত্য' মানে জনসাধাৰণৰ সাহিত্য অৰ্থাৎ জনসাহিত্য। শিপাই যেনেকৈ মাটিৰ তলত থাকি গছক ৰসে পুষ্টে সুশোভিত কৰি ৰাখে, সেইদৰে সকলো সাহিত্যৰে মূলভাগ লোক-জীৱনৰ অন্তৰালত লুকাই থাকে। লোক জীৱনৰ লগত ই নিবিড়ভাৱে জড়িত হৈ থাকে বাবেই এই সাহিত্যৰ নাম লোক সাহিত্য বা জন সাহিত্য।

জন সাধাৰণৰ মুখে মুখে প্ৰবাহিত হৈ আহিছে লোকসাহিত্য সমূহ। জনসাধাৰণ বা সামান্য আমাৰ জ্ঞান মতে কৃষক-শ্ৰমিক, গৰখীয়া-নাৱৰীয়া, জিয়ৰী-বোৱাৰী, বণিক বেপাৰী, তিৰুতা-বোৱাৰী প্ৰভৃতি ভিন ভিন শ্ৰেণীৰ নিৰক্ষৰ শ্ৰমজীৱী মানুহৰ

গীত মাত, নাট-সাধুকথা, ফকৰা-যোজনা, আতিনকথা ইত্যাদিৰ সমাহাৰকে কোৱা হয় লোক সাহিত্য।

লোক সংস্কৃতিৰ লগত লোক সাহিত্যৰ সম্পৰ্ক অতি ঘনিষ্ঠ। লোক সাহিত্যৰ মাজেদি লোকৰ বিশ্বাস, সংস্কাৰ, আচাৰ-অনুষ্ঠান, গীত নৃত্য আদিৰ, লোক শিল্পৰো স্পষ্ট আভাস পোৱা যায়।

মুঠতে লোক সাহিত্যক সি নামেই নিদিয়ক কিয় পৰম্পৰাগতভাৱে মানুহৰ মুখে মুখে চলি অহা কাহিনী, বেলাড, গীত, যোজনা আদিৰ সমষ্টিকেই কোৱা হয় লোক সাহিত্য।

পিছলৈ মূল বিষয়ক "নলবাৰী জিলাৰ বাজালী বানেকুচি গাঁৱৰ লোক সাহিত্যৰ পৰিচয়ৰ বিষয়ে এক আলোচনা দাঙি ধৰিবলৈ প্ৰয়াস কৰা হল।

## অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ঃ

লোক সাহিত্য লোক সমাজৰ নিভাজ মনৰ স্বকীয় প্ৰকাশ। ই জনসাধাৰণৰ আত্মিক জীৱনৰ দাপোণ স্বৰূপ। গ্ৰাম্য সমাজৰ জীৱনৰ গাঁথনিত গীত-মাত, সাধুকথা, যোজনা পটন্তৰ আদিৰ প্ৰাধান্য পৰিলক্ষিত হয়। সাম্প্ৰতিক কালত সভ্যতাৰ অগ্ৰগতিৰ লগে লগে লোকসাহিত্যৰ সমলসমূহ অনাদৃত হবলৈ ধৰিছে। লোকজীৱনৰ সমল ব্যক্তিৰ দেহাৱসানৰ লগে লগে এই সম্পদসমূহো হেৰাই যাবলৈ ধৰিছে। লোকজীৱনৰ সমল ব্যক্তিৰ দেহাৱসানৰ লগে লগে এই সম্পদসমূহো হেৰাই যাবলৈ ধৰিছে অথবা পাহৰণিৰ গৰ্ভত বিলীন হোৱাৰ উপক্ৰম ঘটিছে। আধুনিক জীৱনৰ ধাৰণা পদ্ধতিয়ে লোক সাহিত্যৰ সমল সমূহলৈও পৰিৱৰ্তনৰ জোৱাৰ অনা পৰিলক্ষিত

## অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ঃ

লোক সাহিত্য লোক সমাজৰ নিজৰ মনৰ ভাৱনাৰ প্ৰকাশ। ই জনসাধাৰণৰ আধ্যাত্মিক জীৱনৰ দাপোন স্বৰূপ। গ্ৰাম্য সমাজৰ জীৱনৰ গাঁথনিত গীত-মাত, সাধুকথা, যোজনা পটন্তৰ আদিৰ প্ৰাধান্য পৰিলক্ষিত হয়। সাম্প্ৰতিক কালত সভ্যতাৰ অগ্ৰগতিৰ লগে লগে লোকসাহিত্যৰ সমলসমূহ অনাদৃত হৈ থাকিছে। লোকজীৱনৰ সমলা ব্যক্তিৰ দেহাৱসানৰ লগে লগে এই সম্পদসমূহো হেৰাই যাবলৈ ধৰিছে। লোকজীৱনৰ সমলা ব্যক্তিৰ দেহাৱসানৰ লগে লগে এই সম্পদসমূহো হেৰাই যাবলৈ ধৰিছে অথবা পাহৰণিৰ গৰ্ভত বিলীন হোৱাৰ উপক্ৰম ঘটিছে। আধুনিক জীৱনৰ ধাৰণা পদ্ধতিয়ে লোক সাহিত্যৰ সমলা সমূহলৈও পৰিৱৰ্তনৰ জোৱাৰ অনা পৰিলক্ষিত

হৈছে। সঠিক পদ্ধতিৰ অভাৱ অজস্ৰতো লোক সাহিত্যই বিস্মৃতিৰ গৰ্ভলৈ যাত্ৰা কৰিছে।

সাম্প্ৰতিক সময়ত বিদ্যানুৰাগীয়ে লোক সাহিত্যৰ সম্পদসমূহৰ অভাৱ যথেষ্টকৈয়ে অনুভৱ কৰিছে। ইয়াৰ সংৰক্ষণ আৰু প্ৰসিদ্ধিৰ বাবে "নলবাৰী জিলাৰ বাজাসাট বানেকুছি গাঁৱৰ লোক সাহিত্যৰ পৰিচয়" উল্লেখ শীৰ্ষক ক্ষুদ্ৰ গৱেষণা পত্ৰখন প্ৰস্তুত কৰাৰ আঁৰত এয়া মুখ্য লক্ষ্য আৰু উদ্দেশ্য।

# অধ্যয়নৰ প্ৰয়োজনীয়তা ঃ

স্মৃতি নিৰ্ভৰ লোক সাহিত্যক পৰিৱৰ্তিত সমাজ পৰিপ্ৰেক্ষাত নতুন নতুন সং-স্কাৰ-ৰূপ দি থাকে। সেয়ে লোক-সাহিত্যৰ মাজত আহি পৰে আঞ্চলিক, জনগোষ্ঠীয়, প্ৰাচীন, সমকালীন আদি বিভিন্ন কথা। সমাজৰ পৰিৱৰ্তন এক স্বাভাৱিক প্ৰক্ৰিয়া যিহেতু কোনেও ৰোধ কৰিব নোৱাৰে। সেয়ে হয়তো আমাৰ সমাজ জীৱনৰ সৈতে জড়িত পৰম্পৰাগত লোক সাহিত্যৰ সমলবোৰ আজি পাহৰণিৰ গৰ্ভত। কিন্তু একবিংশ শতিকাতে আমি মনত ৰখা ভাল যে যি লোক-সাহিত্য সংস্কৃতিয়ে আমাৰ সংস্কৃতিক চহকী কৰিছে, আমাক দিছে এক সুকীয়া পৰিচয়, যাৰ বুকুতে বস্তুৰা বাণী আজি আমাৰ সাহিত্য চহকী হৈছে। সেইয়েহে লোক সাহিত্যক আমি কোনো কাৰণতে পাহৰা উচিত নহয়। এইটু

লোকসাহিত্যৰ মুকুতে আমাৰ জাতীয় সাহিত্য-সংস্কৃতিৰ খাঁটি শিপাডাল গোপিত হৈ আছে। অসমীয়া সমাজ ব্যৱস্থাপনাত বৈচিত্ৰীয়া সংস্কৃতিৰ আশ্ৰয়নে আমাৰ সাতামপুৰুষীয়া লোক-সাহিত্য সম্পদকণকো স্বৰ্ণিমা ধৰিৰখলৈ আৰু হয়তো বেছি পৰ নালাগিব। সেয়ে অসমৰ লোকসাহিত্যৰ সম্পদসমূহ বটাই ৰখাৰ স্বাৰ্থত ইয়াক অধ্যয়ন কৰাৰ প্ৰয়োজন আছে। কেৱল অধ্যয়নে নহয়, ইয়াক সংৰক্ষণ কৰাৰো চেষ্টা চলাব লাগে। সাম্প্ৰতিক সময়ত অৱশ্যে অসমৰ লোকভাষা, সাহিত্য, সংস্কৃতিক লৈ গৱেষণামূলক কাম কাজ চলিব লাগিছে।

আঞ্চলিক, জনগোষ্ঠীয়, প্ৰাচীন, সমকালীন লোকসাহিত্যৰ ওপৰত পুংখানুপুংখ অধ্যয়নে অসমীয়া লোকসাহিত্যৰ অধ্যয়নক এক অন্যান্য মাত্ৰা দিব বুলি আশা কৰিব পাৰি।

## গৱেষণাৰ পদ্ধতিঃ

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত ষষ্ঠ ষাণ্মাসিকৰ অন্তৰ্গত স্নাতকৰ বাবে প্ৰস্তুত কৰিবলগীয়া 'লোক সাহিত্য" বিষয়ক উক্ত প্ৰকল্প প্ৰস্তুত কৰিবলৈ লওঁতে "নলবাৰী জিলাৰ বাজাপাট বালেকুছি গাঁৱৰ লোক সাহিত্যৰ পৰিচয়" ৰ বিষয়ে বিশ্লেষণাত্মক পদ্ধতিৰে আলোচনা কৰা হৈছে। গৱেষণা পত্ৰখন প্ৰস্তুত কৰিবলৈ লওঁতে সাহিত্য তথা সংস্কৃতি বিষয়ক গ্ৰন্থ তাৰ লগতে জড়িত বিভিন্ন প্ৰবন্ধ সমূহক মূল উৎস হিচাপে লোৱা হৈছে।

# প্ৰথম অধ্যায় ঃ

## ৰাজাগাঁও বানেকুচি গাঁৱৰ পৰিচয় ঃ

অসমৰ নলবাৰী জিলাৰ বানেকুচি ৰাজহ চক্ৰৰ অন্তৰ্গত এখন গাঁও।

২০১১ চনৰ লোকপিয়লৰ তথ্য অনুসৰি ৰাজাগাঁও বানেকুচি গাঁৱৰ স্থান বা গাঁৱৰ সংকেত হৈছে ৩০৪০০৩ ৰাজাগাঁও বানেকুচি গাঁৱৰ জিলা আৰু মহকুমা দুয়োটা মুখ্য কাৰ্যালয় নলবাৰীৰ পৰা ১৬ কিলোমিটাৰ দূৰত্বত অৱস্থিত। ২০০৯ চনৰ পৰিসংখ্যা অনুসৰি নতুন দেশৰ ৰাজাগাঁও বানেকুচি গাঁৱৰ গাঁও পঞ্চায়ত।

গাঁওখনৰ মুঠ ভৌগলিক আয়তন ২৫৩.২৩ হেক্টৰ। মুঠ জনসংখ্যা ১২৮৩ জন, য'তে পুৰুষৰ জনসংখ্যা ৬৭৯, মহিলাৰ জনসংখ্যা ৬০৪. গাঁওখনত প্ৰায় ২৪৭ টা ঘৰ।

প্ৰায় ৮ কিলোমিটাৰ দূৰত্বত

মকা সকলো ডাঙৰ অৰ্থনৈতিক কাম কাজৰ বাবে বাজাসমাট বানেক্ষুদ্ৰি ওচৰত নলবাৰী চহৰ।

গাঁওখনত হিন্দু মুছলমান সকলোৱে মিলি বাস কৰে। সকলো সম্প্ৰদায়ৰ লোকে মিলা-প্ৰীতিৰে বাস কৰি গাঁওখনৰ উন্নতিৰ বাবে কাম কৰি আহিছে।

গাঁওখনত খেতিপথাৰৰ লগতে তামোল-পাণ, নাৰিকল, কঠাল, আম গছ আদিৰে আবৰি আছে। প্ৰায় ঘৰতে সুস্মৰী প্ৰকাৰ উপাশিত জনস্বাস্থ্য বিভাগৰ পানী যোগানৰ ব্যৱস্থা, বিজুলী বাতি আদি আছে। লগতে গাঁওখনত এখন প্ৰাথমিক বিদ্যালয়, পশু চিকিৎসালয়ও আছে। এখন ৰাজহুৱা নামঘৰ, এটা ৰাজহুৱা পূজা মন্দিৰ আছে। বছৰত তিনি পাৰ্বন

পালন কৰা হয়। মুছলমান সকলে ওচৰৰ গাঁৱৰ মছজিদত প্ৰাৰ্থনা কৰে অন্যান্য উৎসৱ আদিত একেলগেহৈ সহযোগ কৰে। মুঠতে গাঁওবোৰত বৰ্তমান কালত মানুহৰ লগা প্ৰায়বোৰ সুবিধাই আছে।

ৰাজাগাঁটি বানেকুছি গাঁৱৰ ভৌগলিক পৰিচয়:

ভাৰতৰ অসম ৰাজ্যৰ নলবাৰী জিলাৰ বানেকুছি মৌজাত অৱস্থিত ৰাজাগাঁটি বানেকুছি গাঁওখন উত্তৰ পূব দ্ৰাঘিমাংশত অৱস্থিত। গুৱাহাটীৰ পৰা ৭২.৫ কি.মি, নলবাৰীৰ পৰা ৮ কিলোমিটাৰ দূৰত ৰাজাগাঁটি বানেকুছি গাঁও অৱস্থিত।

গাঁৱৰ মাটিকালি: ২৫৩.২৩ হেক্টৰ

**চাৰিসীমা :** গাঁওখনৰ পূবে আছে হুগ্ৰ নলবাৰী অঞ্চল, পশ্চিমে টিহু অঞ্চল, উত্তৰে বৰমা অঞ্চলৰ লগতে বৈ গৈছে পাগলা দিয়া নদী আৰু দক্ষিণে বৈ গৈছে বুঢ়া দিয়া নদী।

**কৰ্ম আৰু জীৱিকা :** গাঁওখনৰ এভাগ লোক কৃষি কাৰ্যৰ লগত জড়িত যদিও চৰকাৰী-বেচৰকাৰী ব্যৱসায়, ক্ষুদ্ৰ উদ্যোগ ইত্যাদিত এই গাঁৱৰ অধিকাংশ লোকেই জড়িত। বিভিন্ন ক্ষেত্ৰৰ আত্মসহায়ক গোটসমূহেও বাজাৰটি. বানেকুছি গাঁৱৰ অৰ্থনৈতিক বুনিয়াদী সবলীকৰণত অৰিহণা যোগাইছে। ইয়াৰ উপৰত গাঁওখনৰ পুৰুষ মহিলা সকলোৱে সমানে পৰিশ্ৰম কৰে। সকলোৱে নিজৰ নিজৰ কৰ্ম কৰি ঘৰখন চলাই আহিছে।

## দ্বিতীয় অধ্যায় : খাজাপাটি বালেকুছি গাঁৱৰ লোক সাহিত্যৰ পৰিচয় :

লোক সংস্কৃতিৰ অন্যতম এটা শ্ৰেণী হ'ল লোক সাহিত্য। 'লোক' আৰু 'সাহিত্য' শব্দৰ সমন্বয়ত 'লোক সাহিত্য' পৰিভাষাটো ব্যৱহৃত হয়। আভিধানিক অৰ্থত লোক শব্দই 'মানুহ' 'ভুৱন' আদিক বুজালেও লোক সংস্কৃতিৰ দৃষ্টিকোণৰ পৰা ইয়াৰ অৰ্থ সুকীয়া।

জনসাধাৰণৰ মাজত মুখে মুখে প্ৰচলিত গীত-মাত আদিক লোক সাহিত্য বুলি জনা যায়। লোককথা, লোককলা, লোকগীত, লোকধৰ্ম, লোক পৰম্পৰা, লোকপ্ৰবাদ, লোকসমাজ আদিৰ বৰ্ণনা লোক সাহিত্যত থাকে। লোক-সাহিত্য লোক-সাহিত্য লোক মনৰ সৃষ্টি, লোক মন আশ্ৰিত। ইয়াত থাকে লোক মনৰ সুখ-দুখ, হৰ্ষ-বিষাদ, আশা আকাংক্ষা, প্ৰকৃতিৰ বিবিধ ৰূপৰ ছবি।

অতঃ স্মৃতিয়েই লোক সাহিত্যৰ এক মাত্ৰ অৱলম্বন আছিল। এই শ্ৰেণী সাহিত্যক মৌখিক সাহিত্য বা জন সাহিত্য বুলিও কোৱা হয়।

কোনোবা বিশেষ ব্যক্তিৰ মুখেৰে প্ৰশংসা পোৱা এই গীত আৰু কথা লাহে লাহে সাৰ্বজনীন ৰূপ লাভ কৰি ব্যক্তি নিৰপেক্ষ ৰচনা হৈ পৰে। লোক সাহিত্য ব্যক্তি নিৰপেক্ষ ৰচনা বুলি কোৱা হৈছে যদিও এইবিধ সাহিত্য ব্যক্তি বিশেষেই ৰচনা কৰে, কিন্তু তেওঁৰ নিৰ্মিত সমাজলৈ তুলি দিয়ে। যুগ যুগ ধৰি জনসাধাৰণৰ মুখে মুখে প্ৰবাহিত হৈ অহা এই মৌখিক লেখন পদ্ধতি প্ৰচলিত হোৱাৰ পিছতহে লিপিবদ্ধ হয়। গীত-মাত, সাধুকথা, ফকৰা-যোজনা, সাঁথৰ, তন্ত্ৰ-মন্ত্ৰ আদি বিভিন্ন বিষয় লোক সাহিত্যৰ বহল পৰিসৰৰ অন্তৰ্ভুক্ত।

লোক সাহিত্য, লোক সংস্কৃতিৰ দাপোণ স্বৰূপ। লোক সমাজৰ লোকৰা-

খোৱা, পিন্ধা-উৰা, আচাৰ ব্যৱহাৰ, ৰীতি নীতি, লোক বিশ্বাস, সামাজিক কৰ্তব্য সম্পৰ্কে পালনীয় নীতি-নিয়ম আদিৰ আভাস এই দাঙি ধৰে। বুৰঞ্জীয়ে যিদৰে কোনো এটা যুগৰ অতীতৰ লোক জীৱনৰ সামাজিক, সাংস্কৃতিক, মানসিক আদি বিভিন্ন দিশৰ ছবিও লোক সাহিত্যৰ মাজেৰে প্ৰতিফলিত হয়। " বুৰঞ্জী আৰু ভূগোলেও যদি কোনো এটা জাতিৰ-মনৰ পৰিচয় দিবলৈ অসমৰ্থ হয় তেনেহলে সেই পৰিচয় দিব পাৰে সেই জাতিৰ মাজত বৰ্তি থকা গীত, পদ, সাধুৱেহে।

বাজাপাটি বানেকুচি গাঁৱত প্ৰচলিত লোক সাহিত্য সমূহ হৈছে - বিয়ানাম, বিহুনাম, সাধুকথা, ফকৰা-যোজনা, নিচুকনি গীত, বিভিন্ন অনুষ্ঠানমূলক গীত ইত্যাদি।

২০০৯

## লোক সাহিত্যৰ সংজ্ঞা আৰু শ্ৰেণীবিভাগঃ

লোক সাহিত্যক বিভিন্ন জন পণ্ডিত সমালোচকে সংজ্ঞাবদ্ধ কৰিছে এনেদৰে -

লীলা গগৈৰ মতে - "লোক সাহিত্য লোক মনোধৰ্মী। লোক মানসত প্ৰতিফলিত হয় লোক জীৱনৰ আবেগ, অনুভূতি, অভিজ্ঞতা। মানুহৰ সামূহিক আবেগে সাহিত্যিক ৰূপ পৰিগ্ৰহণ কৰে স্বভাৱ কবিৰ কবিতাত, বুঢ়ী আইৰ সাধুত, বিহুৱাৰ বিহু নামত, আয়তীৰ বিয়া নামত। লোক সাহিত্যত সময়ৰ সীমা নাই, ব্যাকৰণ শৈলীতাৰ ছাপ নাই, গতিহীনতাৰ ধৰ্ম নাই।"

— অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা।

নবীন চন্দ্ৰ শৰ্মাই কৈছে — "লোকবিদ্যা বা লোক সংস্কৃতিৰ অন্যতম শ্ৰেণী

মৌখিক সাহিত্য বা লোক সাহিত্যক ইয়াৰ বাণীগত আৰু সাংস্কৃতিক দিশৰ সমন্বয় পৰা শাব্দিক কলা বা মৌখিক কলা আখ্যা দিব পাৰি।

— জনকৃষ্টিৰ বাণীৰেখা।

কালী শৰ্মাৰ মতে — " লোক সাহিত্য লোক সমাজে ৰচনা কৰা সাহিত্য। লোক সাহিত্য ~~জন~~ সাধাৰণতে মুখে মুখে বাগৰি প্ৰবাহিত হৈ অহা মৌখিক সাহিত্য।

— অসমৰ লোক সাহিত্য।

শিশিৰ কুমাৰ বৰুৱাৰ মতে — " জাতিৰ আদিম অৱস্থাৰ পৰা সভ্য স্তৰলৈ আঁত নিছিগাকৈ চলি অহা জনশ্ৰুতিয়েই হ'ল লোক সাহিত্য।"

## লোক সাহিত্যৰ শ্ৰেণী বিভাগ :

বৈচিত্ৰ্য আৰু বৈচিত্ৰ্যতাৰে পূৰ্ণ অসমীয়া লোক-সাহিত্যক কেইবাটাও ৰূপত পোৱা যায়। 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' গ্ৰন্থত ড° সত্যেন্দ্ৰনাথ শৰ্মাই অসমীয়া লোক সাহিত্যক তিনিটা ভাগত ভাগ কৰি দেখুৱাইছে।

সেইকেইটা হ'ল —

১/ লোকগীত।

২/ ফকৰা - যোজনা আৰু প্ৰৱচন

৩/ সাধুকথা।

মহেশ্বৰ নেওগে অসমীয়া সাহিত্যৰ ৰূপৰেখা' গ্ৰন্থত লোক সাহিত্যক দুটা ৰূপত দেখুৱাইছে। সেই দুটি ৰূপ হ'ল -

১/ লোক - গীত আৰু

২/ লোক কথা

ড° হেমন্ত কুমাৰ শৰ্মাই 'অসমীয়া সাহিত্যত দৃষ্টিপাত' গ্ৰন্থত অসমীয়া লোক সাহিত্যক বিষয়বস্তু আৰু ৰচনা ৰীতিৰ সমলৰ পৰা তিনিটা ভাগত ভাগ কৰি দেখুৱাইছে। সেইকেইটা হ'ল –

১/ লোকগীত।

২/ ফকৰা - যোজনা, সাঁথৰ - পটন্তৰ

৩/ সাধুকথা।

সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে এই ভাগকেইটা প্ৰায় একেধৰণৰ।

প্ৰফুল্ল দত্ত গোস্বামীয়ে লোক সাহিত্যক তলত দিয়া ধৰণে ভাগ কৰি দেখুৱাইছে ভাগবোৰ হ'ল –

১/ সাধুকথা বা কাহিনী

২/ গীত

৩/ দৃষ্টান্ত

৪/ যোজনা

৫/ প্ৰবাদ

৬/ মন্ত্ৰ

লোক-সাহিত্য সে লোকমনৰ সৃষ্টি। ইয়াৰ লগত জড়িত হৈ থাকে অনাগৰী, চহা লোকজীৱন চৰ্যা। তলত সেইবোৰ সম্পৰ্কে চমু আলোচনা আগবঢ়োৱা হ'ল।

লোকগীত ঃ মৌখিক সাহিত্যৰ পৰম্পৰাত পুৰুষানুক্ৰমে প্ৰচলিত গীত মাতকে লোকগীত আখ্যা দিয়া হয়। লোক গীতবোৰ লোক সাহিত্যৰ বিস্তৃত ক্ষেত্ৰসমূহত সাহিত্যিক গুণসম্পন্ন অমূল্য সম্পদ। স্মৃতি নিৰ্ভৰ এই গীতবোৰে চহা জীৱনৰ আনন্দ-বিষাদ, সুখ-দুখ, ভক্তি আদি ভাৱক কঢ়িয়ায়। ই জনসাধাৰণৰ সম্পত্তি, লিখিত গীতৰ দৰে তাত ব্যক্তি বিশেষৰ কথা লোৱা নাযায়। জনসাধাৰণৰ বিভিন্ন অনুভূতিকেই কবি প্ৰতিভা থকা লোক সকলে ছন্দোবদ্ধভাৱে ৰচনা কৰি আহিছে আৰু সময়ত সেইবোৰ বিভিন্ন লোকৰ মুখত পৰি পৰিৱৰ্তিত হৈছে। সেই কাৰণে

আধুনিক কবিতাৰ দৰে তাত কোনো কৃত্ৰিম-
ভাৱ দেখা নাযায়। গীতবোৰ স্বকীয়-
তিনোটা উৎসৱতে গাইছি। যেনে— হুঁচৰি,
নাওখেলাৰ গীত আদি প্ৰধান আৰু
নিচুকনি গীত, বিয়া নাম আৰু আইনাম
তত্ত্বমূলক গীত প্ৰধানকৈ তিৰোতা
মানুহে গায়। বিহুগীতবোৰ আকৌ ডেকা
নাচনী উৎসৱতে গোৱা। লোক গীতবোৰৰ
গোৱাৰ সময় নিৰ্দিষ্টকৈ ক'ব নোৱাৰি
ইয়াৰ মাজতো অৰণ্যে বৃক্ষজীৱৰ ঘটনাৰ
বা দৈৱৰ ভাবাপন্ন কোনো কোনো
গীত সময় সম্পৰ্কত এটা ধাৰণা
কৰিব পৰা যায়। চহা কৃষিসকলে
এই গীতবোৰ গোৱা কৰোঁতে বাস্তৱ
জীৱনৰ অভিজ্ঞতা, প্ৰকৃতিৰ পৰা লাভ
কৰা শিক্ষা আদিকে বিষয়বস্তু
হিচাপে লয়। সেয়ে লোক গীতবোৰৰ
মাজত জনসাধাৰণৰ বিশ্বাস-অন্ধবিশ্বাস,
আচাৰ ব্যৱহাৰ, চিন্তাধাৰাৰ কথা
পোৱা যায়। এই গীতবোৰত ছন্দ,

ভাৱ আৰু ভাষা সুসংগঠিত নহয়, অশ্লীল আৰু উন্মুক্ত। এয়া প্ৰাণৰ ই মুক্ত পৰিস্ফুৰণ আৰু আদিম তথা মৌলিক ভাৱাবেগৰ অকৃত্ৰিম প্ৰকাশ।

লোকগীতক আকৌ প্ৰধানকৈ তিনিটা শ্ৰেণীত ভগাব পাৰি –

১/ অনুষ্ঠানমূলক।
২/ কৰ্মবিষয়ক।
৩/ আখ্যানমূলক।

এই কেইবিধকো আকৌ প্ৰত্যেকৰে কেইবাটাও উপশাখা আছে।

লোকগীত

- অনুষ্ঠানমূলক
  - ভক্তিনিৰপেক্ষ
  - ভক্তিমূলক
- কৰ্মবিষয়ক
- আখ্যানমূলক
  - বুৰঞ্জীমূলক

১/ অনুষ্ঠানমূলক গীত ঃ

অনুষ্ঠানমূলক গীতসমূহক আখ্যাগতে কোনো উৎসৱ অনুষ্ঠান উপলক্ষে গোৱা হয়। অসমীয়াৰ উৎসৱ, বিয়া, মৃতকৰ শ্ৰাদ্ধ উৎসৱ, স্তুতি সেৱাৰ উৎসৱ দেৱদেৱীৰ পূজা আদি উৎসৱ অনুষ্ঠানৰ গীতসমূহ এই পৰ্যায়ৰ অন্তৰ্ভুক্ত।

এই শ্ৰেণীৰ গীতবোৰ ভাগ কেইটি দুটা —

ক/ ভক্তি নিৰপেক্ষ

খ/ ভক্তিমূলক।

অসমীয়াৰ আৰু বিয়া উৎসৱৰ গীতসমূহ ভক্তি নিৰপেক্ষ আনহাতে দেৱদেৱীৰ পূজা, মৃতকৰ শ্ৰাদ্ধ, স্তুতি সেৱা আদি উৎসৱৰ গীতসমূহক ভক্তিনিৰপেক্ষ গীত বুলি কোৱা হয়।

কৰ্মবিষয়ক গীত ঃ

এই শ্ৰেণীৰ গীত সাধাৰণতে কোনো কাম কৰোঁতে যেনে নাৱৰীয়া আৰু আৰু

বিনোদনৰ কাৰণে গোৱা হয়।
কৰ্ম সংগীতৰ ভিতৰত -
নাও খেলাৰ গীত, ধৰণীয়োৱা গীত, গৰখীয়া গীত, খেলা ধেমালিৰ গীত নাওবাৰ গীত আদি।

আখ্যানমূলক গীত:

অসমীয়া লোক সাহিত্যত আখ্যানমূলক গীত অনেক পোৱা যায়। যিবোৰ গীতৰ মাজেদি একো একোটা আখ্যান বা কাহিনী বৰ্ণনা কৰা হয়, সেইবোৰকে আখ্যানমূলক লোকগীত বুলি বুজা যায়। এই শ্ৰেণীৰ গীতক মালিতা (বেলাড) বা কাহিনী গীতো বোলা হয়। ড° সত্যেন্দ্ৰনাথ শৰ্মা আৰু ড° হেমন্ত কুমাৰ শৰ্মাই অসমীয়া আখ্যানমূলক গীতক প্ৰধানকৈ তিনিটা ভাগত ভগাইছে।
ভাগ তিনিটা হ'ল -
১/ বুৰঞ্জীমূলক

২/ কিংবদন্তি বা জনশ্ৰুতিমূলক

৩/ কাল্পনিক।

ইতিহাস প্ৰসিদ্ধ কোনো চৰিত্ৰ বিশেষৰ কাৰ্য্য পৰিণতি দেখুৱাই বুৰঞ্জীমূলক সাহিত্যৰ উদ্দেশ্য। আনহাতে, অলৌকিক ঘটনাৰ সমাবেশ ঘটা মনোৰঞ্জক কাহিনীয়েই হল কিংবদন্তি বা জনশ্ৰুতিমূলক সাহিত্য। কল্পনাৰ আধাৰত ৰচিত গীত সমূহ কাল্পনিক গীত।

জয়মতী কুঁৱৰীৰ গীত, গৌৰীনাথ সিংহৰ গীত, মনিৰাম দেৱানৰ গীত, হৰদত্তৰ গীত, নাহৰৰ গীত, চিকন সৰিয়হৰ গীত আদি বুৰঞ্জীমূলক আখ্যান গীতৰ ভিতৰত পৰে। মনিকোঁৱৰৰ গীত, ফুলকোঁৱৰৰ গীত, জনা গাভৰুৰ গীত, ~~[illegible]~~ মলুনামতীৰ গীত, কমলা কুঁৱৰীৰ গীত আদি কিংবদন্তি বা জনশ্ৰুতিমূলক গীত। কাল্পনিক গীতৰ ভিতৰত পৰে কন্যা বাৰমাহী, দুকলা আমিৰ গীত, আমি বাৰমাহী,

জয়ধ্বনি বনিয়াৰ গীত, মহাসতীৰ গীত আদি।

**ফকৰা-যোজনা:**

ফকৰা-যোজনা, পটন্তৰ, প্ৰবাদ, প্ৰবচন, দৃষ্টান্ত এই শব্দকেইটা অসমীয়া ভাষাৰ প্ৰায় সমাৰ্থক শব্দ।

লোক সাহিত্যৰ সমৃদ্ধিশালী কৰি তোলা উপাদানসমূহৰ ভিতৰত ফকৰা যোজনাৰ এক বিশিষ্ট স্থান আছে। যোজনা হ'ল চুটি সাৰগৰ্ভ, সহজে মনত ৰাখিব পৰা এফাঁকি বা দুফাঁকি কথা। পৰিস্থিতি বিশেষত ইয়াক যুক্ত কৰিব পাৰি বাবে ইয়াৰ নাম যোজনা। ফকৰা যোজনাই ভাষাৰ প্ৰকাশিকা শক্তি বৃদ্ধি কৰে। অসমীয়া ভাষাত এনে ফকৰা-যোজনা, সাঁথৰ আদি অলেখমান পোৱা যায়। ফকৰাবোৰ গূঢ়াৰ্থ ব্যঞ্জক, ইয়াত লুকাই থাকে নিগূঢ় অৰ্থ।

ইয়াৰ পদ ক্ৰম সাধাৰণতে ছন্দোবদ্ধ। "যোজনা নিজাববত এফাঁকি কথা থুৱাবলৈ তাৰ এফাঁকি কথা যোগ কৰি দিয়া হয়। যোগ কৰি দিয়া ফাঁকিৰ বহুত ক্ষেত্ৰত অৰ্থ নাথাকিবও পাৰে।' ফকৰা-যোজনাসমূহৰ মাজেদি অভিজ্ঞগৰাকীৰ সুচিন্তিতা আৰু বুদ্ধিমত্তাৰ পৰিচয় পোৱা যায়। লোকসাহিত্যৰ অন্যতম বাছকবনীয়া সম্পদ লোকগীতৰ দৰে ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচনবোৰৰ ক্ষেত্ৰতো সময়সীমা নিৰ্ধাৰণ কৰাটো কঠিন কাম। বুৰঞ্জীমূলক ঘটনাসম্বন্ধ প্ৰবচন, ফকৰাবোৰৰ সময়সীমা আনুমানিক ভাৱে নিৰ্ণয় কৰিব পৰা যায়। ফকৰা-যোজনা আৰু পটন্তৰ এই তিনিকেইটা হেমচন্দ্ৰ বৰুৱাৰ মতে প্ৰায় সমাৰ্থক, বাস্তৱ ক্ষেত্ৰতো তিনিওটাৰ মাজত বিশেষ পাৰ্থক্য দেখা নাযায়। জীৱনৰ চৰম সত্যবোৰৰ

পিমন্তে চিন্তাৰ অৱকাশ নথকা সাধাৰণ মানুহৰ এটা জীৱনৰ বা এটা দিনৰ ক্ষেত্ৰ অভিজ্ঞতা, কেতিয়াবা এটা জাতিৰ কেইবাশ্বকমৰো অভিজ্ঞতাৰ দ্বাৰা বান্ধি লোকোক্তিধাৰে প্ৰবচনৰ সৃষ্টি হয়। এই ক্ষেত্ৰত প্ৰবচনবোৰ আমাৰ জ্ঞানৰ ভঁৰালত নৈৰ্ব্যক্তিক সম্পত্তি হৈ ৰৈ গৈছে।

একো ষাৰি প্ৰবচনৰ মাজত একোটি সম্পূৰ্ণভাৱ নিহিত হৈ থাকে। যেনে —

১/ কথাত কটা যায়, কথাত বটা পায়।

২/ কুকুৰ বুঢ়া হলে কাপোৰে থৰে, মানুহ বুঢ়া হলে পৰকিতী লাগে।

৩/ পক্ষী মৰে ৰৈ, মানুহ মৰে কৈ।

৪/ আইৰ সমান হ'ব কোন, নৈৰ সমান ব'ব কোন।

৬/ অভ্যাসৰ নাম, বৰ্ণনাৰে কৰো পাৰ।

<u>সাধুকথা ঃ</u>

বিশ্বৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত প্ৰসাৰ দৰে অসমীয়া জনসমাজতো সাধুকথাৰ প্ৰচলন প্ৰাচীন কালৰে পৰা দেখা যায়। সাধুকথাবোৰৰ স্থিৰ ৰূপ নাই, সাধু কওঁতাই নিজৰ অভিৰুচি আৰু সামৰ্থ্য অনুসাৰে তাক বৰ্ণাই যায়, সাধুটো অৰ্থাৎ উপকথাৰ মূল ঘটনাটোহে কিন্তু প্ৰাচীন।

মানুহৰ যুগে যুগে বাগৰি অহা বাবে সাধুকথাবোৰৰ ৰূপৰো পৰিৱৰ্তন দেখা যায়। ইয়াত কোনো নিৰ্দিষ্ট নিয়ম নাথাকে। যেয়ে বক্তাৰ জ্ঞান-বুদ্ধি ৰুচিৰ অনুকূলে সাধুকথাবোৰো হয় ভিন ভিন ৰূপৰ। সভ্যতাৰ উন্মেষৰে পৰাই আদি মানুহে যেতিয়া সমাজবদ্ধ হৈ থাকিবলৈ আৰম্ভ কৰিলে, তেতিয়াই জীৱন, জগত আৰু প্ৰকৃতি সম্পৰ্কে পূৰ্বৰ ধাৰণাবোৰ

কমি হ'বলৈ ধৰিলে। মানুহৰ দৃষ্টিভংগীৰ সময়ৰ লগে লগে সাধুকথাবোৰো প্ৰকৃতি সলনি হ'বলৈ ধ'লে। প্ৰাগ ঐতিহাসিক যুগৰ আদিম মানুহৰ দৃষ্টিভংগীৰ আৰু চিন্তা জগতৰ পৰিৱৰ্তনৰ ইতিহাস সাধুকথাৰ মাজেদি অতি স্পষ্ট হৈ ধৰা পৰে। এই স্পষ্টতা বোধগম্য হ'বৰ বাবে সাধুকথাৰ পৰিৱৰ্তনৰ স্তৰবোৰলৈ লক্ষ্য কৰিলেই হয়। অসমৰ প্ৰাচীন সাধুকথাবোৰে লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত উঠিহে সাহিত্যৰ শোভাবৰ্দ্ধনতো পুষ্টি সাধনৰ বাট পায়।

অলিখিত ৰূপত প্ৰজন্মৰ পৰা প্ৰজন্মলৈ প্ৰবাহিত হৈ অহা সাধুকথাসমূহ বিভিন্ন প্ৰকৃতিৰ হ'ব পাৰে। এই সাধুবোৰে এক সাংস্কৃতিক ধাৰণা কিম্বা বিশ্বাসক প্ৰতিনিধিত্ব কৰি আহিছে। মৌখিক পৰম্পৰাক প্ৰতিনিধিত্ব কৰা এই সাধুসমূহৰ কিছুমান স্থানীয়ভাৱে প্ৰচলিত আৰু কিছুমান

পাৰিবাৰিক কাহিনীৰ ৰূপত প্ৰচলিত।
ইমানোপৰি পৃথিৱীৰ উৎপত্তি, মানুহৰ সৃষ্টি,
সমাজ-সংস্কৃতি আদি বিষয়বোৰ সামৰি
লোৱা নিয়ম আৰু নীতি কথাসমূহক
সাধুৰ প্ৰচলনো লক্ষণীয় কথা।
কিছুমান এনে সাধুকথাও আছে যিবোৰে
কেৱল আমোদ আৰু মনোৰঞ্জনহে দিয়ে।
সাধুকথাৰ কাহিনীত অলৌকিকতাই প্ৰাধান্য
লাভ কৰিছে। তাত মানুহ, ৰাক্ষস, ভূত,
ডাইনী, শিয়াল, কাউৰী, হৰিণ আদিৰ
পৰাও চৰিত্ৰ ৰাখি লোৱা হয়। মানুহৰ
দৰে এই চৰিত্ৰবোৰৰ মাজতো প্ৰীতি,
অসূয়া, ধূৰ্তালি আদি ভাব দেখুওৱা
হৈছে। তেজীমলা, তুলা, তেজা আদি সাধু
কৰুণ ৰসাত্মক আৰু 'টেটোন'; 'কুকুৰীকণাৰ
জোৱাই', আদি সাধু ধেমেলীয়া বিধৰ।
পৰ্বত, নৈ আদি প্ৰাকৃতিক সম্পদসমূহৰ
উৎপত্তি সম্বন্ধেও অনেক সাধু আছে। পঞ্চতন্ত্ৰ,
ঈছপৰ সাধু, হিতোপদেশ আদি গ্ৰন্থতো অসংখ্য
সাধুকথা পোৱা যায়।

২.০২

## লোক সাহিত্যৰ বৈশিষ্ট্য ঃ

লোক জীৱনৰ পটভূমিত তথা লোকমনৰ চিন্তা চেতনা, আবেগ অনুভূতি, এবং কল্পনাৰ আধাৰত ৰচিত লোক সাহিত্যৰ সাধাৰণ বৈশিষ্ট্য সমূহ গৱেষক পণ্ডিতসকলে এনেদৰে দাঙি ধৰিছে।

১/ লোক সাহিত্য জনসাধাৰণৰ মুখে মুখে মুখে প্ৰচলিত আৰু পৰম্পৰা আশ্ৰিত। জাতীয় সাহিত্যৰ এই শ্ৰেণীত ব্যক্তি বিশেষৰ কল্পনাৰ স্ফুৰণৰ ঠাই নাই। এই শ্ৰেণীৰ সাহিত্য কেৱল ব্যক্তি বিশেষৰ আনন্দ বিনোদনৰ কাৰণে সৃষ্টি নহয়। ই সমাজৰ উত্তৰাধিকাৰ সৃষ্টি। সমাজৰ সৰ্বজনৰ জ্ঞান, চিন্তা আৰু কল্পনাৰ ই মিলন তীৰ্থ আৰু সমস্ত সমাজৰ আনন্দ বিনোদনৰ কৰ্মা ক্ষেত্ৰ।

২/ লোক সাহিত্যৰ ভিত্তিতে সমাজৰ জীৱন অকৃত্ৰিম আৰু স্বতস্ফূৰ্ত ভাৱে

অভিব্যক্ত হয়। ইয়াৰ ভাষা অজটিল, প্ৰকাশ-ভংগী শোন পটীয়া।

৩/ লোক সাহিত্য গাথা লোকৰ জীৱন দৃষ্টি, জীৱন নিৰ্বাহ প্ৰণালী আদিৰ লগতে গাওঁলীয়া সমাজৰ সামগ্ৰিক চিত্ৰ প্ৰতিফলিত হয়।

৪/ লোক সমাজৰ মাজত প্ৰচলিত নানান বিশ্বাস-অবিশ্বাস, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ উৎসৱ পৰ্ব আদিৰ বৰ্ণনাও, লোক সাহিত্যত উল্লেখনীয় ঠাই অধিকাৰ কৰি আছে।

৫/ লোক সাহিত্যই লোক জীৱনৰ অতীতৰ ইতিহাস কয়, বৰ্তমানৰ পৰিৱৰ্তনৰ ধাৰা সম্পৰ্কে সম্যক আভাস দাঙি ধৰে আৰু ভৱিষ্যতৰ বিষয়েও ভৱিষ্যত বাণী প্ৰচাৰ কৰে।

৬/ লোক-সাহিত্য যিহেতুকে মুখে মুখে প্ৰচলিত সেই হেতুকে তাৰ ভাষা কথিত ভাষাৰ শব্দ আৰু প্ৰকাশৰীতিৰে খচিত।

## অসমৰ লোক সাহিত্যসমূহ :

অসম নামৰ ভূ-খণ্ডৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত বসবাস কৰি থকা বিভিন্ন ভাষা ভাষী জনগোষ্ঠীৰ লোকসকলৰ মুখে মুখে প্ৰচলিত তথা পৰিৱৰ্তন আৰু পৰিবৰ্ধনেৰে বাগৰি অহা গীত-মাত, লোক কথা, প্ৰবাদ-প্ৰবচন, সাঁথৰ, মন্ত্ৰ আদিক মিলিয়ে হ'ল অসমীয়া লোক সাহিত্য। অসমৰ ভৈয়াম আৰু পাহাৰীয়া উভয় অঞ্চলত বসবাস কৰি অহা লোক-সাহিত্যৰ সমলবোৰে অসমীয়া লোক সাহিত্যক বৈচিত্ৰপূৰ্ণ ৰূপ দান কৰাই নহয় ইয়াৰ পৰিসৰো বিস্তৃত কৰি তুলিছে।

প্ৰাক্ ঐতিহাসিক যুগৰ পৰাই অসমীলৈ ভিন ভিন ভৰত ভাগে ভাগে অহা জাতি-জনগোষ্ঠীসমূহৰ আগমন

আৰু অসমবাসীৰ মাজেৰে তেওঁলোকৰ সমাজ আৰু সংস্কৃতিত সমাহৰণ বা সমন্বয় ঘটিছিল। অসমীয়া লোক সাহিত্যত ইয়াৰ স্বৰূপ প্ৰতিফলিত হোৱা দেখা যায়। সেয়েহে অসমীয়া লোক সাহিত্য জনজাতীয় আৰু অজনজাতীয় সমাবেশেৰে পুষ্ট হৈ বৈচিত্ৰপূৰ্ণ হৈ উঠিছে। অসমীয়া লোক সাহিত্যৰ আলোচনাত অসমীয়া ভাষা আৰু সাহিত্যৰ লগত জনজাতীয় গোষ্ঠী-বিলাকৰ সম্পৰ্কৰ দিশসমূহো বিচাৰ কৰাটো প্ৰয়োজনীয়। অসমীয়া লোক সাহিত্যৰ সমলসমূহ ইয়াৰ অজনজাতীয় সম্প্ৰদায়ৰ অসমীয়া ভাষাৰ মাধ্যমেদি প্ৰকাশ হোৱাৰ উপৰি অজনজাতীয় লোক সমাজৰ লগত সহাৱস্থান কৰি থকা জনজাতীয় লোকসকলৰ নিজ নিজ ভাষাৰ মাধ্যমেদিও প্ৰকাশিত হৈ আহিছে। কাৰণ অসমত অসমীয়া ভাষাৰ উপৰি

বিভিন্ন জনজাতীয় গোষ্ঠীৰ নিজ নিজ ভাষাও প্ৰচলিত। এই ভাষাসমূহত লিখিত সাহিত্যৰ পৰিমাণ সীমিত আৰু কিছুমান ভাষাত ই সম্পূৰ্ণ অনুপস্থিত কিন্তু লোক সাহিত্যৰ সম্পদে বিভাৰত কোনোটো ভাষাই নিঃস্ব নহয়। জনজাতীয় লোক-সমাজৰ কিছুমানে বিশেষকৈ সোনোৱাল-কছাৰী, তিৱা (লালুং) আৰু মিচিং, হাজং আৰু ৰাভাৰ কেইটামান গোষ্ঠীয়ে অসমীয়া ভাষাৰ স্থানীয় ৰূপকে মাতৃভাষা বুলি গ্ৰহণ কৰি তাত নিজ নিজ বৈশিষ্ট্যৰ সাঁচ পেলাইছে। এনে ধৰণে গ্ৰহণ কৰা দেউৰীমিজ, ৰাভামিজ, তিৱামিজ, হাজং অসমীয়া, সোনোৱাল-কছাৰীৰ কথিত অসমীয়া আদি নামেৰে নামাংকিত উপগোষ্ঠীয় উপভাষাতো সৰহ সংখ্যক গীত পদ ৰচিত হৈ আছে। এইবোৰেও অসমীয়া লোকস

সাহিত্যক এক বৈচিত্ৰপূৰ্ণ ৰূপ দান কৰিছে।

উজনি, মধ্য আৰু নামনি এই বিভিন্ন ভৌগলিক সাংস্কৃতিক অঞ্চল সমূহৰ নিজস্ব বৈশিষ্ট্য আছে। এনে স্থানীয় বৈশিষ্ট্যপূৰ্ণ বিভিন্ন অঞ্চলৰ সামাজিক সাংস্কৃতিক পৰিবেশেও অসমীয়া লোক সাহিত্যক বৈচিত্ৰপূৰ্ণ কৰি গঢ়ি তুলিছে।

অসমীয়া লোক সাহিত্য বিভিন্ন ভাগত বিভক্ত। লোক সংস্কৃতিবিদ প্ৰফুল্ল দত্ত গোস্বামীয়ে অসমীয়া লোক সাহিত্যৰ শ্ৰেণী বিভাজন এইদৰে কৰিছে-

(ক) কথাপ্ৰধান সাধুকথা, পুৰা কাহিনী, কিংবদন্তি, কৌতুক আদি।

(খ) গীত মাত:

(১) বৰ্ণনামূলক কবিতা
(২) ধৰ্মীয় গীত
(৩) প্ৰণয়মূলক গীত
(৪) কৰ্ম গীত
(৫) নিচুকনি গীত আদি

(গ) সাঁথৰ
(ঘ) পটন্তৰ বা ফকৰা
(ঙ) মন্ত্ৰ

আন এগৰাকী লোক সংস্কৃতিবিদ নবীন চন্দ্ৰ শৰ্মাই দেশী - বিদেশী লোক-সংস্কৃতিবিদৰ শ্ৰেণী বিভাজনক পুনৰ বিশ্লেষণ কৰি তাত্ত্বিক আৰু অঙ্গসংগত শ্ৰেণী বিভাজনকে বিজ্ঞানসন্মত বুলি বিবেচনা কৰি অসমীয়া লোক সাহিত্যৰ শ্ৰেণী বিভাজন কৰিছে -

(১) লোক গীত/ লোক কবিতা ঃ

(ক) উৎসব অনুষ্ঠানের সাথে জড়িত গীত পদ

(খ) প্রেম প্রণয় জড়িত গীত-পদ

(গ) সংস্কার মূলক কৃত্যের সাথে জড়িত গীত-পদ।

(ঘ) মা-বা মেয়েলী সংস্কারের সাথে জড়িত গীত পদ

(ঙ) প্রেম গীত

(চ) কাহিনী গীত / বেলাডঃ লোক কাব্য, লোক গাথা কাব্য, লোক পুরাণ, লোক ইত্যাদি।

২/ গদ্যধর্মী কাহিনী :

(ক) মিথ / আখ্যান

(খ) জনশ্রুতি / উপাখ্যান

(গ) লোককথা / গল্প / কিচ্ছা।

৩/ প্রবচন / যোজনা / পটন্তর আদি

৪/ সাঁথর / দিঠান ইত্যাদি।

মুঠতে আৰ্য আৰু আৰ্যভিন্ন লোকৰ সংমিশ্ৰণ সংমিশ্ৰণ, সমন্বয় আৰু সমাহৰণ প্ৰক্ৰিয়াৰ প্ৰেক্ষাপটত অসমীয়া লোক-সাহিত্য বহলভাৱে দুই ভাগত ভগাব পাৰি।

(ক) অজনজাতীয় লোক সাহিত্য
(খ) জনজাতীয় লোক সাহিত্য :

(১) জনজাতীয় (তিব্বতবৰ্মীয়) স্বকীয় ভাষাত ৰচিত

(২) অজনজাতীয় (আৰ্যমূলীয়) অসমীয়া ভাষাৰ মৌখিক ৰূপত ৰচিত।

এই দুয়োবিধ লোক সাহিত্যক আকৌ বিষয়বস্তু আৰু প্ৰকাশভংগী অনুসৰি এনে ধৰণে শ্ৰেণী বিভাজন কৰা যায়-

(১) লোক গীত
(২) লোক কথা
(৩) লোক প্ৰবচন
(৪) লোক মন্ত্ৰ
(৫) লোক নাট্য।

## তৃতীয় অধ্যায় : ৰাজাপাট বানেকুছি গাঁৱৰ বিহুনাম :

সোণৰে খাটিতে খাটে মলাবিৰে
ঐ ৰাম ৰূপৰে খাটিতে দৈ হে
আঁহেউক বোৱাৰীলৈ খাৰুকে আনিছে
ঐ ৰাম কুঁৰতে ওৰণি লৈ হে ।।

বিহু অসমীয়া জনজীৱনত এক প্ৰাণময় আৰু আনন্দময় সাংস্কৃতিক উৎসৱ। সংস্কৃতি আৰু সৃষ্টিৰে বিহু এক খাঁটি উৎসৱ। অসমত বিভিন্ন জনগোষ্ঠীয় সম্প্ৰদায় আছে। এই সকলোৰে বিহুৰ মৌলিক প্ৰথা আৰু লোকাচাৰ আছে। বিহু মানেই ৰং ৰহস্যৰে পৰিপূৰ্ণ।

বিহুৰ আৰম্ভণি বহুত পুৰণি যদিও ইয়াৰ আনন্দ-উল্লাহ, ৰং ৰহস্যৰ জনপ্ৰিয়তা হ্ৰাস পোৱা নাই। এই আনন্দময় উৎসৱৰ কালত বহুত চৰায় বিভিন্ন সুৰ-তালমান

আৰু জাতৰ সুললিত বিয়া পৰণা বিয়ানামবোৰে ।

সমাজত পুৰুষ নাৰীৰ স্বেচ্ছাচাৰী তথা উচ্ছৃংখল যৌন মিলন ৰোধ কৰি সমাজ শৃংখলা কৰাৰ উদ্দেশ্যে উদ্দালক ঋষিৰ পুত্ৰ শ্বেতকেতুৱেই যেনো সৰ্বপ্ৰথমে ভাৰতীয় আৰ্য সমাজৰ পবিত্ৰ বিবাহৰ নিয়ম কৰি সমাজৰ চৰিত্ৰ গঠন সবল কৰে। এই বিবাহবোৰ বেদৰ পবিত্ৰ মন্ত্ৰেৰে হোম যজ্ঞৰ হোমাদি অগ্নিক সাক্ষী কৰি ধৰ্মপত্নীক অৰ্দ্ধাঙ্গিনীৰূপে স্বীকৃতি দিছে।

অনুষ্ঠানমূলক লোকগীতৰ অন্যতম সম্পদ হৈছে বিয়ানাম। অসমীয়া বিবাহ অনুষ্ঠানৰ বিভিন্ন মুহূৰ্তক উপলক্ষ্য কৰি গোৱা গীতেই হৈছে বিয়াগীত বা বিয়ানাম। বিয়ানামে বিবাহ অনুষ্ঠানক এক সুকীয়া মাত্ৰা প্ৰদান কৰিছে। বিয়া গীতবোৰত

আয়তী ওজা ৰচয়িত্ৰীসকলৰ সৰল কল্পনা, দাম্পত্য জীৱনৰ আদৰ্শ, কইনা উলিয়াই দিয়াৰ কাৰুণ্য আদি বৰ সুন্দৰভাৱে প্ৰকাশ পাইছে।" আয়তীসকলে বিবাহৰ বিভিন্ন মুহূৰ্তত গোৱা গীতবোৰ এনেধৰণৰ — মাৰাৰ সান্দহ খুন্দা গীত, সুৱাগৰ ধান বনা গীত, জোৰণৰ গীত, গাঁঠিয়ন খুন্দা গীত, শ্ৰাদ্ধ আৰু অধিবাসৰ গীত, পানী তোলা গীত, মাহ বতা গীত, নগ কৰোৱা গীত, দৰা-কইনা খুওৱা গীত, দৰা আদৰা গীত, গোসাঁই পূজাৰ গীত, ৰৰণ তোৱা গীত, কইনা উলিওৱা গীত, আগৈ তোলা গীত, কইনা যাবৰ সময়ত গোৱা গীত, কইনা আদৰি অনা গীত ইত্যাদি। এনেধৰণৰ মাৰ্জিত ৰুচিসম্পন্ন গীতবোৰৰ উপৰিও দৰাঘৰীয়াক আৰু কইনাঘৰীয়াই দৰাঘৰীয়াক জোকাই, আনন্দ উপভোগ কৰি এক প্ৰকাৰৰ গীত গায়। এনে গীতক 'জোৰা নাম' বা 'ধিমচা

গীত' বোলা হয় । উদাহৰণ স্বৰূপে —

ও মন জাগুক
দৰাঘৰৰ মানুহ টিপনি
অৰণ্যৰ জাগুক

সাঁজ:

গাঁওসমূহত প্ৰচলিত বিয়ানাম সমূহ উল্লেখ কৰা হ'ল —

(১)

'লাই হালে জালে আবেলি বতাহে
লসনা হালে জালে পাত হে'
'আমাৰ আইদেউ নিচেই কুমলীয়া
যেন কলাপাতৰ দুখি —
আটিব নাজানে ককাঁলৰ কাঁচুটি
মেলিব নাজানে চুলি ।

(২)

ঐ গছৰ কোমল কুঁহি
ভাটৌ পখি খায়
মা - দেউতাৰ চকুৰ মণি
লোকে লৈ যায় ।

## জোৰোণ দিওতে দিয়া বিয়া নাম ঃ

সুদীৰ্ঘ কালৰে পৰা চলি অহা বিয়া বা বিবাহ এক দীঘলীয়া প্ৰথাযুক্ত সামাজিক উৎসৱ। বিয়াৰ আৰম্ভণি জোৰণৰ দিনাৰ পৰাই আৰম্ভ হয়। বিয়াৰ এদিন আগতে জোৰণ দিয়াৰ নিয়ম, জোৰণত তেল, সেন্দুৰ, মাণি, কইনাৰ কাপোৰ, গহনা আদি দৰাঘৰৰ পৰা আনি দিয়া হয়। এই জোৰণক ঠাই বিশেষে গাখং-মণি পিন্ধোৱা, সুৰত তেল সেন্দুৰ দিয়া বা টেকেলি দিয়া বুলিও প্ৰচলিত।

জোৰণ পিন্ধোৱাৰ সময়ত বিবিধ সুৰৰ মিঠা মিঠা বিয়া নামে ৰভাতলী ৰজনজনাই থাকে। জোৰণ হ'ল বিয়াৰ প্ৰথম পৰ্ব। ই এক লৌকিক প্ৰথা। জোৰণৰ নামবোৰত দৰা কইনাক ৰাম-সীতা, কৃষ্ণ-ৰুক্মিণী, হৰ-পাৰ্বতী

আদি দেৱ দেৱীৰ নাম সাজোৰ গাই আছে।

জীৱনৰ প্ৰসংগত দৰা কইনাৰ ঘৰত কিছুমান লোকাচাৰ পালন কৰা হয়। ঠাঁই বিশেষে কিছু তাৰতম্যও আছে।

জোৰোণ দিবলৈ যোৱা নাম –

(১)

হৰি হে দেউতাৰাৰ অলংকাৰ
হৰি হে লোৱাহে আইদেউ
হৰি হে মাৰাৰ অলংকাৰ লোৱা কি
ৰাম ৰাম
হৰি হে দ্বাৰকাৰ শ্ৰীকৃষ্ণই
হৰি হে অলংকাৰ পঠাইছে
হৰি হে হাতযোৰ কৰি লোৱা কি ৰাম ৰাম
হৰি হে ৰাণীৰ পিন্ধৰ মালে
হৰি হে কঁজলা উৰণী
হৰি হে তিৰবিৰ কৰে কি ৰাম ৰাম।
হৰি হে আইদেউৰ গালৈকে

হাঁহি যে মানুহৰ সোণালী
হাঁহি যে হীৰা মণি মুকুতা জেউতি দিয় ধামধাম

(২)

কণপোৱা বাদুলী, কিয়নো আইদেউ আজলী
কোমলকোমল মেকুৰীপোৱালি, সোণৰ ফুলি পিৰিকিলি
কণপোৱা বাদুলী, কিয়নো আইদেউ আজলী
কোমলকোমল মুনিমুনিবোৰ, সোণৰ ফুলি পিৰিকিলি
কত আই লেখাজোখা কলমে খুটি
কাণপোৰ সোৰ আনিছে, আইদেউলৈ ছুটি।
তেইঁহঁতৰ ৰংপোৰ বাহং কেনেকৈ শিক্ষা
ডিনদেউ আস্তিকো ওভতাই দিলা।
সোণৰ তাৰিৰ সখা কাপোৰে গন্ধা
লাউজটো আনিছে গা নোলেৰে বটা।

(৩)

আজি বাইদেউৰ সৌভাগ্যৰ দিন,
শিৰত সেন্দুৰ দিলা তুমি সৌন্দৰ্যৰ চিন
আজি বাইদেউৰ জীৱন নকশালি
নমাইলৈ বাইদেউৰ বিয়া

## পানী তুলিবলৈ যাওঁতে লোৱা নিয়মসমূহ ঃ

বিয়াৰ দিনা সমাজত অন্য এক উল্লেখযোগ্য নিয়ম হ'ল পানী তোলা প্ৰথা। এই প্ৰথা দুয়ো ঘৰতে সমাধা কৰা হয়। পানী তুলিবলৈ যোৱাৰ আগতে দুৱাৰত চাকি জ্বলায়। দৰা ঘৰৰ পৰা অনা চাউল দুৱাৰত ভৰোৱা হয়। দৰা আৰু কইনাৰ মাকে তামোল-পান, সুভুৰা পইচা আৰু এখন কটাৰী লগত থাকে। পানী সাধাৰণতে নৈ-বিল আদিৰ পৰাই তোলা হয়। যদিহে নৈ বিল সহজলভ্য নহয় তেতিয়া পুখুৰী বা নাদৰ পৰাই পানী তোলা হয়। নৈ পুখুৰী বা নাদৰ পানীখিনি গংগা-যমুনাৰ পবিত্ৰ পানী বুলি মান্যতা দিয়ে। পানী তুলিবলৈ যোৰ আগত মৰলাৰ ওচৰত থাকে সেৱা লওতে আয়তীসকলে উৰুলি দিব লাগে। পানী তুলিবলৈ যোৱা দেৱকী আৰু

আমতীসকলৰ আগে আগে ঢুলীয়া যায়। পানী তুলিবলৈ লগত নিয়া কটাৰীৰে তিনিবাৰ পানী কাটি ঘটটো পানীত তিনিবাৰ ডুবাই পানী তোলে। পানী কাটি আনোতে আমতীয়ে সুধিব লাগে কাৰ পানী কাটিছা বুলি। তাৰ পিছত পানী তৰা। পাৰলৈ উঠি আহি প্ৰণাম জনায়। ঘৰলৈ আহি দুৱাৰমুখত চাকত পানী ঢালি পিছত মৰলাৰ ঘৰত টেকেলি লোৱাৰ নিয়ম।

পানী তুলিবলৈ যোৱা নাম -

(১)

মাটি চাকি জ্বলোৱা।
গংগাৰ জল আনোঁগৈ- মাটিৰ চাকি জ্বলোৱা,
যমুনাৰ জল আনোঁগৈ- মাটিৰ চাকি জ্বলোৱা,
আৰু জল আনোঁগৈ কাশীৰ ঘৰে,
মাটিৰ চাকি জ্বলোৱা
দুনশিটি অজোৱা

পানী তুলিবলৈ দৈৱকীৰ উভতাও না

(২)

ৰাম কৃষ্ণৰ পানী তুলিবলৈ
ৰাম কৃষ্ণৰ ওলাইছে দৈৱকী
হৰি মোৰ অ', কামতে কলচি লৈ হে।
ৰাম কৃষ্ণৰ যাঁও মেলে ধৰি
ৰাম কৃষ্ণৰ নাপাওঁ হাতে মেলি
হৰি মোৰ অ', কতেনা যমুনা লৈ হে।।

(৩)

ফুল চন্দন তুলসী,
উষিলা নে নউষিলা
ৰাধা তোমাৰ কলসী।
জীৱনে পিতাৰে ফুল চন্দন তুলসী,
জীৱনৰ লগৰী ফুল চন্দন তুলসী,
মৰিলে পিতাৰে আশা ঐ
ফুল চন্দন তুলসী,
উষিলা নে নউষিলা
ৰাধা তোমাৰ কলসী।

(৪)

ইপাৰৰ ডাৱৰবোৰ ঐ আলী
সিপাৰলৈ যৌ
আমাৰে ৰংগতী ৰাধা ঐ আলী
ভটিয়া নে নৌ
ৰাম কৃষ্ণত জলাভৰি যশোদা
ৰাম কৃষ্ণত পাছলৈ নাচাবা
হৰি মোৰ ঐ, আগলৈ আহিব তাৰি নে
ৰাম কৃষ্ণত আগলৈ ভাগিব
ৰাম কৃষ্ণ কৃষ্ণত জগলৈ লাগিব
হৰি মোৰ ঐ, তেতিয়া কৰিবা কি নে॥

(৫)

বাৰী অপাৰ কৰুঁদে
যোৰ দিয়া মৰুঁকে
বাইদেউ আছে লগোনে
ভাত খাব দুৰুঁকে ।

## দৰা কইনা নোৱাওঁতে গোৱা বিয়ানাম :

বিয়াত দৰা বা কইনাক গা ধুওৱাটো এটা পৰম্পৰা। আয়তীসকলে ধুলি জলা পানীৰে দৰা কইনাক বৰপীৰাত বহুৱাই হাতৰ তামোলা দৰা কইনাৰ মূৰত দৈ তাৰ ওপৰত সোণৰ আঙুঠি দি তেল দিয়ে। তাৰ পিছত সকলোৱে মূৰ আঙুলি মাহ-হালধি সানি ধুলি জলা পানী দৰা বা কইনাৰ গাত ঢালে। বংশ পৰিয়ালকে আদি কৰি সকলোৱে দৰা বা কইনাক মাহ হালধি সানি কঁহৰ লোটাৰে পাঁচ বা সাত কলহ পানী ঢালিব লাগে। গা ধুওৱাৰ পিছত দৰা বা কইনাৰ মাকৰ আঙি দুনৰিত ৰখা চাকিৰ পৰা জুই দিব আৰু আমপাত নৈলে নিজৰ মগতে এবাৰ জোৰাই আৰু এবাৰ দৰা বা কইনাৰ মগতে জোৰাইয়। পিছত মূৰৰ ওপৰত কেঁচুগৰাকী মাৰে

আয়তীয়ে চাউল মতত দৈলৈ নাম গায়।

বিয়াৰ দিনা দৰা কইনাক নোওৱাৰ পিছতহে আদৰোৱা হয়। নোওৱাৰ সময়তে বায়তী আয়তীসকলে বিধে বিধে বিয়ানামবোৰ গোৱাই দিয়ে।

কইনা নোওৱাৰ সময়ত গোৱা বিয়ানাম ঃ

(১)

ওলাই আহা আইদেৱে ঐ আলী দুৱাৰ দলীৰ মাজে
ঘৰতে নোৱাব লাগে ঐ আলী নকৰিবা লাজে
ওলাই আহা আইদেৱে ঐ আলী আঙুলিক দেখিম
আত' প্ৰজা ৰৈ আছে ঐ আলী তোমাক দেখিম।
ওলাই আহা আইদেৱে ঐ আলী বাটিত বগলে চাই
গা ধুৱে গনিতা কৰে ঐ আলী অংগ ভৰি যায়।

ওলাই আমা আইদেৱে ঐ জাশী কাগতে ধৰি
জোয়াৰ তোমাৰ মাজে ঐ জাশী অতি যতন কৰি।

(২)

ষাম ষাম বেঁকুতে ঘুৰিছে
ষাম ষাম শিম্মান দুখে পালা
ষাম ষাম সোমাই ডাপৰ পাঁৰাত বহা হে।
ষাম ষাম ডামৰ বৰেপাঁৰা
ষাম ষাম ওলে ডাশি গুৰা
ষাম ষাম বঞ্ছে সোণৰ ভেকুৰা হে।
ষাম ষাম মুখত তেল দিবা (উঁকলি)
ষাম ষাম ধাৰে নিতিডিবা
ষাম ষাম ভেলিম্মাই সোগাৰ তেলা হে।
ষাম ষাম মাৰে সেলোৱা
ষাম ষাম খলাধি সেলোৱা
ষাম ষাম সেলোৱা নাপৰে পানী হে।

(৩)

খাননা পাইদেউ খমনা তেন
চকুৰ পানী টোকা তেন
চকুৰ পানী তোমাৰ যদি
গোটাৰ পানী তাগা তেন।

দশা ৰোঙৰাৰ অসমত পোৱা কিছুমানঃ

(১)

আহু কেঁলে খুঁজিচা
পানী কেঁলে তাকিচা
কাৰ কাৰবে দাদা তুমি
ইমান কষ্ট কৰিছা।
একো কষ্ট হোৱা নাই
বহি কষ্ট পোৱা নাই
এইকন কষ্ট নকৰিলে
ভাৰ্য্যা পোৱাৰ আশা নাই।

(২)

ৰাম সীতাই যেনেকৈ
দময়ন্তী যেনেকৈ
তত ভাগে ব' দেউ গুৰেগা
মোৰাই আছে এনেকৈ।

দশম অধ্যায় : বাজনাগীত পানেংকছি গীতৰ শিৰোনাম :

অনুষ্ঠানমূলক লোকগীতসমূহৰ ভিতৰত যোনতে বিহুগীত বা বিহুনামৰ কথাই উল্লেখযোগ্য। অসমৰ লোক সমাজত পালিত বসন্ত উৎসৱ মূলতঃ কৃষি উৎসৱ। এই উৎসৱ বছৰৰ তিনি তিনি সময়ত তিনিবাৰ পালন কৰা হয়। কৃষিকৰ্মৰ আৰম্ভণিত, কৃষি বাঢ়ি অহা সময়ত আৰু শস্য চপোৱাৰ পাছত। অসমীয়া জনসাধাৰণৰ বাবে বহাগ বিহু যেনেতি আৰম্ভণিৰ আৰু মাঘ বিহু সামৰণি উৎসৱ।

বসন্তৰ আগমনত যেতিয়া প্ৰকৃতি সজীৱ আৰু চন ধৰি উঠে, ৰং বিৰঙৰ ফুলে পাতে ভৰি পৰে, তেতিয়াৰ চঞ্চল

আৰু সুৰীয়া হেঁপাহৰ মন উতলা কৰা মাতে ডেকা গাভৰুৰ মনত ন বসন্তৰ উন্মাদনা জগাই তোলে আৰু প্ৰকৃতিৰ আম্নানত মৌন মুহূৰ্তে ডেকা গাভৰু আগবাঢ়ি আহে জীৱনৰ উপভোগ কৰিবলৈ। বিহুগীতৰ মাজেৰেই তেওঁলোকে প্ৰকাশ কৰে মনৰ উদ্দাম কামনা বাসনাবোৰ। যেনে —

(১)

চাঁইলো চাঁই খাৰিমলে হাঁশিয়াগ নপলায়
নেংপালে ভ্ৰুঞ্জে ভোক
নিংলো গামে মাথি বালি হাঁটৰ মেলেনা
দাঁমিয়াই দি মাগ তোবৰ।
বিংলো চত মহীমা ৰ'দে ভৌ ভৌ
লেটেৰো শাতিচ্ছে ভোবৰ
তিমলে নংখিৰ টিপাকো নংখিৰ
বেঁঙাই গাকোঙৈতেন তোক।

(২)

সজোনাগ্রেন তোতোটি ও ররকাইটি
নাতোনো হাতিজাতি ও ররকাইটি
সিংতো সেপাস অসিমা সাত
ব্রগাস সাজ পিচ্চিগো অ' ররকাইটি
সোপাত সুগা খুজিগো অ' ররবগাইটি
সিঙ্গু সিঙ্গু শাগিচ্ছে নাতো নাতে শাগিচ্ছে
গাত।

(৩)

রঙাকৈ তোলাটি এ ভনী কোলে ডিলাইং
দিলে ভনী বোলাইং দিলে ভনী
দুম্নাতে জেঙ্কাস বোল।
নাতেতে নাডিশি এ ভনী তলোকৈ
নাতেনত নকশিবি ছুলা।।
রঙাকৈ তোলাটি এ ররকাইং আম্মে দিলে
ডিলাইং ররকাইং আম্মে বোলাইং দিলে
ররকাইং দুম্নাতে জেঙ্কাস বোল।

বজাগো বজাবি এ নংনাংই তেকৌটি ভালকৈ
নংনাংই লোপাটি
তেওত নংশিখি দুলা ॥

(৪)

চণ্ডশে মোমতে বথাগো শালোখি—
গাছে বনে সলাকো ঐ পাত।
আজি বিহু তলী ত ঢোলা পেঁপা বাজিলো ঐ
নাচো নাচো লাগিছে গাত ॥

(৫)

শৈ লো শৈ শিনাকো থমে মেংতেবমী
শৈ লো শৈ শিনাকো ঐ সুগিনি
মৈশ খাটিতে বেগানে সুৰ ভুৰিগো ঐ
সেনাই সেনেৰস সুলি ।

## হুঁচৰিৰ বিহুগীত ঃ

বহাগ বিহুৰ এক গুৰুত্বপূৰ্ণ অংগ হুচৰি। ই গৃহস্থসকলৰ এক সুকীয়া অনুষ্ঠান। গৰু বিহু নাইবা মানুহ বিহুৰ দিনাৰ পৰা ডেকাসকলে ঘৰে ঘৰে ঢোল, টকা, পেঁপা আদি বাদ্য বজাই গৃহস্থৰ মংগল কামনা কৰি দক্ষিণা সংগ্ৰহ কৰাৰ বিশেষ ধৰণৰ খেলা পাতি আৰু গৃহস্থৰ অনুমতি সাপেক্ষে বিহু মাৰে। ইয়াকে হুচৰি বুলি কোৱা হয়। " হুঁচৰি মূলত টাই আহোম অসমলৈ অৱদান।" হুঁচৰি শব্দটো টাই তাঁন গোষ্ঠী সম্ভৱ। টাই আহোম ভাষাৰ হু-ছা-ৰি ৰ পৰা আহিছে। 'হু' মানে ডিঞ্চৰি ছিঞ্চৰি, ছা মানে আশীৰ্বাদ, শুভাশা কামনা 'ৰি' মানে উৎসৰ্গীকৃত সেৱা। গৃহস্থই ইপ্সিত দিয়া আশীৰ্বাদক মংগলময় বুলি

বিবেচনা কৰে। তেওঁলোকে প্ৰথমতেই আপোনাই আগবাঢ়ি হুঁচৰি দলৰ আশীৰ্বাদ গ্ৰহণ কৰে —

(১)

"হুঁচৰি গাই ও দলৌ ভৰাই
আহিলো যে আজি হুঁচৰি গাই।"
হুঁচৰি গাই ও দলৌ ভৰাই
তামোল খোৱা পানচুপি বণ্টন আশাই
এটা বাঁহৰে তৈৰী কৰিম।
বহাগৰ বিহুতে আহিছোঁ আমি॥
ওপৰে ৰংকুৰণ তলে খোৰা।
হুঁচৰি গোৱা লৰাহঁতৰ বিদায় দেৰা।"

(২)

দেউতাৰ পদুলিত গোসাঁইজে মাধৱী
কেতেকী মলে মলাই ঐ গোবিন্দাই ৰাম।

## গৰখীয়াই গৰু চৰাওঁতে গোৱা শিশুগীত ঃ

### অসমীয়া লোকসমাজত গুৰুত্ব ঃ

কৃষিজীৱী । কৃষি কৰ্মৰ সমানে গৰুপালন। গৰুৰ গাখীৰো অসমীয়া লোকৰ প্ৰিয় খাদ্য। সেয়েহে হালোৱা আৰু গাইগৰু পোহা প্ৰথা অসমীয়া সমাজত অতীজৰে পৰা চলি আহিছে। অসমীয়া লোকৰ সমাজে ধাৰণা কৰে যে যাৰ গৰু নাই, সি সবাতোকৈ সৰু। গৰু চৰাবৰ বাবে নিয়োজিত কমবয়সীয়া কিশোৰসকলক গৰখীয়া বোলে। গৰখীয়াই চৰ চাপৰি পথাৰ আদিত গৰু চৰোওঁতে কষ্ট লাঘৱ কৰিবলৈ যিবোৰ গীত পদ গায়। সেইবোৰক গৰখীয়া গীত বোলে।

গৰখীয়াসকলৰ মন মুক্ত,

পৰশীমাৰ গীতত পৰশীমাৰ মুগ্ধ মনৰ
প্ৰকাশ্য এ মাত্য ঘটিবলগীয়া।
পৰশীমাই পৰং ভাইঁতে তোৰা

গীত হ'ল —

ও' মাজেনী আহ,
ঐ আহি আহ,
ও' কণিনী ইয়ে আহ
ও' পগী ইয়ে আহ,

ও' বুগী ইয়ে আহ,
ও' পতী ইয়ে আহ,
ও' পাগলী ইয়ে আহ,
আৰি ঐ আহ
তোৰুঁক পৰিতত
পৰং ভাবে মৰি
কেঁহা তুৱা ভাল্ৰেক বাপাই।

৪.০৩

## ডেকাইৰ গাভৰুক উদ্দেশ্য কৰি গোৱা

শিশু গীত ঃ

(১)

শীতৰে আগপে    কণৌ ভগাইথালি
ধণু নেমাখিবা উানি,

চহকী জীমাৰী    নকৰা পীৰিতি
দেখোকো নকৰা পানী।

মা কৰি খিলাৰে    মাকে ঐ লাহুৰী
মা কৰি খিলাৰে মাক

মাৰৰ ঘৰতে    আছু বাৰ বছৰ
আৰু বাৰ বছৰ থাক।

মাৰৰ মানেকত    নিমম জলকীয়া
বাপেৰৰ মানেকত ভৌনি,

মোৰে মানকত    জীয়া ঐ লাহুৰী
সৰমত গিঙ্গিৰি পানী।

৫.০০

## পঞ্চম অধ্যায় ঃ বাজাশালি পানেকুছি গাঁৱৰ নিচুকনি গীত ঃ

শিশুক নিচুকুৱা বুলি যি গীত পদ গোৱা হয় তাকেই নিচুকনি গীত বোলে। বিশ্বৰ সকলো ঠাইতে এই বিধ গীতৰ প্ৰচলন আছে। নিচুকনি গীতক ধাই নাম বুলিও কোৱা হয়। শিশুৰ হৈচৈ, জেদ, অভিমান তুলনাবিহীন আৰু সেইবোৰৰ প্ৰকাশ ঘটে শিশুৰ কান্দোনেৰে। কান্দোন বন্ধ কৰি শিশুক শান্ত কৰাটো বৰ সহজ কাম নহয়। সিঁহতে একোকে নুবুজে, একোকে নুশুনে। কিন্তু গীতৰ এনে এক স্বকীয় আবেদন আছে, যিয়ে প্ৰায় সকলো শিশুকে সন্তুষ্ট কৰি আনন্দ দান কৰিব পাৰে। শিশু মন অতি কোমল, আলসুৱা সেই মনে সূক্ষ্ম কোনো ঘটনা বা কাৰ্য অনুধাৱন কৰিব নোৱাৰে। শিহঁতৰ মনে বাস্তৱ অবাস্তৱ, লৌকিক

অলৌকিক ঘটনা বা কাৰ্যৰ মাজত কোনো প্ৰভেদ বিচাৰি নাপায়। নিচুকনি গীতত জীৱ-জন্তু, চৰাই-চিৰিকটি, কীট পতংগ, নৈ-নিজৰা, ভূত-প্ৰেত, আদিক আমৰি উদ্ভট কল্পনাৰে এখন মায়াময় জগতৰ সৃষ্টি কৰি তোলা হয়।

ৰাজাপাট বাৰেকুৰি গাঁৱত প্ৰচলিত নিচুকনী গীত হ'ল -

(১)

জোন বাই এ এটি তৰা দিয়া,
এটি তৰা নালাগে,
দুটি তৰা দিয়া—

(২)

শিয়ালী এ নাহিবি ৰাতি,
তোৰে কাণ কাটি লগামে বাতি।

(৩)

আমাৰে মইনা শুব এ,
বাৰীতে বগৰী ৰুব এ

## ষষ্ঠ অধ্যায় ঃ

### বাজালী বালেকুচি গাঁৱৰ মহ খেদা গীত ঃ

মহ খেদা বা মহোহো উৎসৱ নামনি অসমৰ এটি আমোদজনক ধৰ্ম নিৰপেক্ষ অনুষ্ঠান। আঘোণৰ পূৰ্ণিমা তিথিত এই উৎসৱ উদযাপিত হয়। সেইদিনা গাঁৱলি ল'ৰাৰ লগে লগে গাঁৱৰ ডেকা ল'ৰা বোৰে দল বান্ধি হাতত টোকোন লৈ গৃহস্থ লোকৰ ঘৰে ঘৰে গৈ টোকোনে টোকোনে ঠেকা খুৱাই শব্দ তুলি গীত গায়, আৰু গৃহস্থক আশীৰ্বাদ দিয়ে। তাৰ বিনিময়ত গৃহস্থই তেওঁলোককৈ চাউল, পা-পইচা আদি আগবঢ়ায়। অঞ্চলভেদে মহ খেদা গীতৰ প্ৰকাশৰীতি, ভাষা আদিৰ পাৰ্থক্য পৰিলক্ষিত হয়। নিম্নলিখিত মহ খেদা গীতটি উল্লেখ কৰা হ'ল-

'অ' হবি সয়মো
সম্ল সেদ্‌বা খাউ তো
নুে ব্রুলো সম্লু দে
টৈপাল প্লুবা সাম্লু দে
টৈপালাত নহলা বুন। (বিশ্বাস)
ভাউলা কাবে ডুন ডুন
ভাউলা নেধি দিলাক আশি
এন্লোবা যব লাশি ডশি
লাশি ডশি খাউতে
আনাবা নাজালা পাউতে
আনাব নাজালা বপাব ক্ষাল
এন্লোবা যব দেইৎসব্রা ভালা।
এন্লোব ঘরত কিল্লোর খংমা
ছংালা কাদে উংমা উংমা
বাহুংবা পাত টিকি মিকি
আমাক লাগে ঝিকি ঝিকি
বাখৌব পাত ডাকা মাকা
আমাক লাগে ডাকা ডাকা

.......

৭.০০

সপ্তম অধ্যায় :

উপসংহাৰ :

লোক সাহিত্য হ'ল অসমীয়া লোক সমাজৰ এক অবিচ্ছেদ্য অংগ। যাৰ জৰিয়তে অতীতৰ প্ৰচলিত বিভিন্ন নিয়ম-নীতি, বিভিন্ন আদৰ্শ, বিভিন্ন পুৰুষৰ বৈশিষ্ট্য আদি দেখিবলৈ পাওঁ। আধুনিক সাহিত্য ৰচনাৰ প্ৰায় মুহূৰ্তত লোকসাহিত্যৰ প্ৰভাৱ দেখা পোৱা যায়। তেন্তে আমাৰ সমাজ ব্যৱস্থা তথা আমাৰ নীতি-আদৰ্শৰ মূল কেন্দ্ৰবিন্দু আমি লোক সাহিত্যকেই ধৰব পাৰো।

কোনো এটা জাতিৰ মূল চৰিত্ৰই যুগে যুগে কেনেদৰে প্ৰভাৱিত পথত আগুৱাই গৈছে তাকে দাঙি ধৰে লোক সাহিত্যই। অসমীয়া

লোক সাহিত্যত লোকভাষা বা লোক সাহিত্যৰ অৱদান সম্পৰ্কে। অসমৰ জাতীয় জীৱনত উন্নতি সাধিবলৈ উন্নতি সাধিব পাৰিব লোকসাহিত্যত।

শেষত আমি কব পাৰো যে পাঠ্যক্ৰমৰ বিষয়বস্তুৰ মাজত আমাৰ চিন্তাধাৰা সোৱাৰ বাবে নিজকে স্কুলী অনুভৱ কৰিছো তথা ভৱিষ্যতলৈও শিশুক এনে বিষয়ৰ মাজেৰে অনুপ্ৰাণিত কৰিবলৈ চেষ্টা কৰিব লাগে।

: গ্ৰন্থপঞ্জী :

কোঁচ জীৱন চন্দ্ৰ : সুখিৰ আনন্দময় উৎসৱ বিহু আৰু বিহুনাম, ২০০৬, গুৱাহাটী

গগৈ ডা: অমৰেন্দ্ৰ : বিহুনামৰ ৰূপৰেখা, ২০১১, গুৱাহাটী

ভট্টাচাৰ্য ড° ৰসন্ন কুমাৰ : অসমীয়া লোকগীত সমীক্ষা, ২০০৭, পাণবজাৰ, গুৱাহাটী

শৰ্মা নবীন চন্দ্ৰ : অসমীয়া লোক সাহিত্যৰ বুৰঞ্জী, ২০২১, যোৰহাট।

ঃ সংবাদ দাতা ঃ

১. নাম ঃ শ্ৰী অজিৎ বৰ্মন
গাওঁ ঃ ৰাজাআট বানেক্ষুড়ি
বয়স ঃ ৬০

২. নাম ঃ গৌতম দেউৰী
গাওঁ ঃ ৰাজাআট বানেক্ষুড়ি
বয়স ঃ ৪৫

৩. নাম ঃ মাধৱ বড়ো
গাওঁ ঃ ৰাজাআট বানেক্ষুড়ি
বয়স ঃ ৪৭

৪. নাম ঃ বিজয়া বৈশ্য
গাওঁ ঃ ৰাজাআট বানেক্ষুড়ি
বয়স ঃ ৭০

ঃ আলোকচিত্ৰ





জোৰণ দিয়া পৰ্ব



চিত্ৰ নং ২ পানী তোলা পৰ্ব

চিত্ৰ নং ৩



কইনা নোওৱা পৰ্ব

চিত্ৰ নং ৪




বিহু



হুঁচৰি

চিত্ৰ নং:৬



মহোহো

# নলবাৰী জিলাৰ মানচিত্ৰ ঃ

